# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::***

০০০০

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন স্থানত ছহিদ দিৱস পালন কৰা হয়।

**শোণিতপুৰ** জিলাৰ জামুগুৰিহাটত আজি ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ১৫৯টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীয়ে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিয়া অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ জাতীয় জীৱনৰ জটিল সন্ধিক্ষণত সূত্ৰপাত হোৱা অসম আন্দোলনে দীৰ্ঘকাল ধৰি ৰাজ্যৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই এই আন্দোলনৰ ছহিদসকলৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী আৰু সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি **গোৱালপাৰা** জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত ঢেকীয়াজুলিৰ ৰাজহুৱা পুথিভঁৰাল প্ৰাংগণত, বৰপেটা ৰোডত, গুৱাহাটী বিশ্ববিদ্যালয় আইন ছাত্ৰ সন্থাৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত আজি ছহিদ দিৱস পালন কৰা হয়।

ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মগাঁও বৰপেটাৰ উজান বৰগুৰিত আজি অসম গণ পৰিষদ দলে আয়োজন কৰা ছহিদ দিৱসৰ কাৰ্যসূচীত দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে আৰু ছহিদগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে।

আনহাতে কেন্দ্ৰীয় মন্ত্ৰী তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ছহিদ দিৱস উপলক্ষে অসমীয়াৰ পৰিচয়, সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ হকে আত্মবলিদান দিয়া বীৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ  ১৯০ সংখ্যক জয়ন্তী পালন কৰা হয়। জয়ন্তীৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৱৰ ব্ৰঞ্জৰ এটা পূৰ্ণাৱয়ব

প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। ইলোৰা বিজ্ঞান মঞ্চই ৰাজ্যৰ বিভিন্ন স্থানত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটো কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত হেমকোষৰ স্ৰষ্টাগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ লগতে ইলোৰা বিজ্ঞান মঞ্চৰ সভাপতি আৰু অন্যান্য কেইবাগৰাকীও আগশাৰীৰ লোক উপস্থিত থাকে। কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ইলোৰা বিজ্ঞান মঞ্চৰ যুটীয়া উদ্যোগত বিশ্ববিদ্যালয়খনৰ ছুদমাৰ্ছন হ'লত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানতো কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য -অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰে। অনুষ্ঠানত অসমীয়া ভাষা সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ হেমচন্দ্ৰ বৰুৱা উদ্যানতো আজি ভাষাৰ ওজাগৰাকীক স্মৰণ কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

অহা ২৯ ডিচেম্বৰত হ'বলগীয়া নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক টে'ট পৰীক্ষাৰ কেইদিনমান পূৰ্বে যোৱা ৪ ডিচেম্বৰত অসম চৰকাৰৰ শিক্ষা বিভাগে এই পৰীক্ষাৰ পাঠ্যক্ৰম সলনি কৰা সন্দৰ্ভত আজি শিৱসাগৰত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে বিক্ষোভ প্ৰদৰ্শন কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পাপু দত্তই শিক্ষা বিভাগৰ এই সিদ্ধান্তই বহু শিক্ষিত যুৱক-যুৱতীৰ ক্ষতি সাধন কৰিব বুলি অভিযোগ কৰি এই পৰিৱৰ্তিত পাঠ্যক্ৰম প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

০০০০

শিৱসাগৰ নগৰৰ মাজমজিয়াৰ বৰপুখুৰীত কালি উদ্ধাৰ হোৱা পাৱাৰগ্ৰীড ক'ৰ্পৰেচনৰ অভিযন্তা চিন্তু কুমাৰ পালৰ শৱদেহৰ মৰণোত্তৰ পৰীক্ষা আজি সম্পন্ন কৰা হয়। কালি পুৱাৰ ভাগত প্ৰাতঃভ্ৰমণৰ বাবে অহা লোকে বৰপুখুৰীত এটা মৃতদেহ ওপঙি থকা দেখি আৰক্ষীক খবৰ দিয়ে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে সহজে ধন উপাৰ্জনৰ ফান্দত ভৰি দি সৰ্বস্বান্ত হৈয়েই এই অভিযন্তাগৰাকীয়ে আত্মহননৰ পথ বাছি লোৱা বুলি প্ৰাৰম্ভিক অনুসন্ধানত কোৱা হৈছে।

০০০০

মঙলদৈত থকা দৰং কৰ্কট কেন্দ্ৰত আজি দৰং আৰু ওদালগুৰি জিলাৰ মহিলা আৰক্ষীসকলৰ বাবে কৰ্কট সজাগতাৰ লগতে বিনামুলীয়া পৰীক্ষা আৰু প্ৰাথমিক চিকিৎসা কাৰ্যসূচী সম্পন্ন হয়। জিলা দুখনৰ ৫০ গৰাকী মহিলা আৰক্ষীয়ে অংশ লোৱা এই দিনযোৱা কাৰ্যসূচীত কৰ্কট কেন্দ্ৰটোত উপলব্ধ চিকিৎসা সেৱা সমূহৰ লগতে কৰ্কট ৰোগৰ লক্ষণ, কাৰক আৰু ইয়াৰ প্ৰতিৰোধ আৰু সাৱধানতাৰ বিষয়ে জনোৱা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে।

০০০০

সমাপ্ত